**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 17-06-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***:::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ফ্ৰান্সত এভিয়ানত অনুষ্ঠিত জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ শীৰ্ষ সন্মিলনৰ ‘সকলোৰে হিতাৰ্থে সন্তুলিত, সৰ্বাত্মক আৰু বহনক্ষম অৰ্থনৈতিক বিকাশৰ প্ৰসাৰ’ বিষয়ক বৈঠকত অংশ লয়।

২। শ্ৰীমোদীয়ে আজি জি-ছেভেন শীৰ্ষ সন্মিলনৰ আপাহতে জাৰ্মানীৰ চেঞ্চেলৰ ফ্ৰেড্ৰিক মাৰ্জৰ সৈতে দ্বিপাক্ষিক আলোচনাত অংশগ্ৰহণ কৰে।

৩। ভাৰতীয় ৰে'লৱেই পূৰ্ব ৰে'লৱেৰ সংকেত প্ৰণালীৰ আধুনিকীকৰণৰ বাবে ৪০৫ কোটি টকাৰ প্ৰকল্পত অনুমোদন জনাইছে।

৪। কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কাইলৈ নতুন দিল্লীত খাদ্য সামগ্ৰীৰ স্মাৰ্ট মজুতকৰণ প্ৰণালী মুকলি কৰিব। ***আৰু***

৬। মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত গ্ৰুপ-এৰ নিজৰ দ্বিতীয়খন খেলত ভাৰত -নেডাৰলেণ্ডছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ফ্ৰান্সত এভিয়ানত অনুষ্ঠিত জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ শীৰ্ষ সন্মিলনৰ ‘সকলোৰে হিতাৰ্থে সন্তুলিত, সৰ্বাত্মক আৰু বহনক্ষম অৰ্থনৈতিক বিকাশৰ প্ৰসাৰ’ বিষয়ক বৈঠকত অংশ লয়। বৈঠকত প্ৰধানমন্ত্ৰীয়ে আন্তঃৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিষ্ঠানসমূহে উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ অৰ্থনীতি টনকিয়াল কৰি কৰি তুলিব পৰা ব্যৱস্থা বিকশাই তোলাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে আফ্ৰিকা, লেটিন আমেৰিকা আৰু প্ৰশান্ত মহাসাগৰীয় দ্বীপ ৰাষ্ট্ৰসমূহৰ সংযুক্ত কৰা যোগাযোগ প্ৰকল্পৰ প্ৰস্তাৱ দিয়ে। শ্ৰীমোদীয়ে সম্পৰ্ক আৰু ব্যৱসায় ত্বৰান্বিত কৰাৰ বাবে আন্তঃৰাষ্ট্ৰীয় আহ-যাহ সহযোগিতা গঢ়ি তোলাৰো পৰামৰ্শ আগবঢ়ায়। এই সহযোগিতাৰ ক্ষেত্ৰত জি -ছেভেন দেশৰ মুলধন, ভাৰতীয় প্ৰতিভা আৰু গ্লোবেল চাউথ হিচাপে পৰিচিত উদ্যোগিক আৰু অৰ্থনৈতিক দিশৰ পৰা পিছপৰা ৰাষ্ট্ৰসমূহ একগোট হোৱা উচিত বুলি তেওঁ মন্তব্য কৰে। শ্ৰীমোদীয়ে কয় যে স্পষ্ট বিকাশে অন্তৰ্ভুক্তি আৰু জনসাধাৰণৰ কল্যানৰ পথ প্ৰশস্ত কৰে। সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াসৰ মন্ত্ৰৰে ভাৰতৰ বিকাশ গাথাৰ বিষয়ে উল্লেখ কৰে।

জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণসূচীৰে ফ্ৰান্সৰ এভিয়ান চহৰলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভ্ৰমণৰ দ্বিতীয় দিনা এলানি উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হোৱাৰ কথা। প্ৰধানমন্ত্ৰী মোদী আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ মাজত বিয়লি হ'বলগীয়া দ্বিপাক্ষিক বৈঠকখনে বিশেষ চৰ্চা লাভ কৰিছে। বিগত বৰ্ষৰ ফেব্ৰুৱাৰীত ৱাশ্বিংটন ডিচিত হোৱা বৈঠকৰ পাছত এয়া হ'ব নেতা দুগৰাকীৰ

মাজৰ প্ৰথমলানি পোনপটীয়া আলোচনা। বৈঠকত দুয়োপক্ষই বিভিন্ন ক্ষেত্ৰত দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰা উপায়ৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় লৈ আলোচনা কৰাৰ সম্ভাৱনা আছে। গোলকীয় প্ৰত্যাহ্বানৰ সমাধানৰ ক্ষেত্ৰত নতুন দিল্লী মহলৰ বৰ্ধিত সক্ৰিয় ভূমিকাৰে ভাৰতে গুৰুত্বপূৰ্ণ গোলকীয় শক্তি হিচাপে নিজৰ স্থিতি সবল কৰি তোলাৰ সময়ত অনুষ্ঠিত এই বৈঠক কৌশলগত দিশৰ পৰা তাৎপৰ্যপূৰ্ণৰূপে বিবেচিত হৈছে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ট্ৰাম্পৰ সৈতে হোৱা বৈঠকৰ উপৰি শ্ৰী মোদীয়ে **কৃত্ৰিম বুদ্ধিমত্তাৰ নিৰাপদ, দ্ৰুত আৰু ফলপ্ৰসূ প্ৰয়োগ নিশ্চিতকৰণ** সম্পৰ্কীয় মধ্যাহ্ন ভোজমেলতো অংশগ্ৰহণ কৰাৰ কথা।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জি-ছেভেন শীৰ্ষ সন্মিলনৰ আপাহতে জাৰ্মানীৰ চেঞ্চেলৰ ফ্ৰেড্ৰিক মাৰ্জৰ সৈতে দ্বিপাক্ষিক আলোচনাত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে কয় যে চেঞ্চেলৰগৰাকীৰ সৈতে হোৱা আলোচনা যথেষ্ট ফলপ্ৰসূ আছিল। শ্ৰীমোদীয়ে কয় যে বৈঠকত তেওঁলোকে বাণিজ্য, বিনিয়োগ, বৃত্তাকাৰ অৰ্থনীতি, প্ৰতিৰক্ষা, তথ্য প্ৰযুক্তিসহ বিভিন্ন খণ্ডৰ দ্বিপাক্ষিক সহযোগিতা অধিক সুদৃঢ় কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰে। তেওঁলোকে লগতে দুয়োদেশৰ মাজত সাংস্কৃতিক সম্পৰ্ক সুদৃঢ় কৰাৰ বিষয় লৈও আলোচনা কৰে।

ooooo

ভাৰত আৰু ফ্ৰান্সে উদ্ভাৱন, কৃত্ৰিম বুদ্ধিমত্তা আৰু প্ৰযুক্তি সহযোগিতাৰ ক্ষেত্ৰত থকা পাৰস্পৰিক প্ৰতিশ্ৰুতিবদ্ধতাক পুনৰ নিশ্চিত কৰিছে। ফ্ৰান্সৰ পেৰিছত আয়োজিত ভিভাটেক ২০২৬ সন্মিলনত ভাৰতৰ মণ্ডপ মুকলি কৰি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেল আৰু ফ্ৰান্সৰ কৃত্ৰিম বুদ্ধিমত্তা আৰু ডিজিটেল পৰিক্ৰমা মন্ত্ৰী এইন লা এনানে দুয়োখন দেশৰ মাজত ক্ৰমান্বয়ে বৃদ্ধি পাই অহা কৌশলগত অংশীদাৰিত্বৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত উপস্থিত অন্বেষক আৰু ষ্টাৰ্টআপসমূহক উদ্দেশ্যি শ্ৰীগোৱেলে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৱে ঘোষণা কৰা ভাৰত-ফ্ৰান্স উদ্ভাৱনৰ বৰ্ষ ২০২৬ ৰ যোগেদি দুয়োখন দেশৰ মাজত থকা অংশীদাৰিত্ব অধিক শক্তিশালী হৈছে। মন্ত্ৰীগৰাকীয়ে ভাৰত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰতিভা, ডাটা কেন্দ্ৰ আৰু উন্নতমানৰ প্ৰযুক্তিৰ ক্ষেত্ৰত বিশ্বমানৰ হাব হোৱাৰ বাবে প্ৰস্তুত বুলিও উল্লেখ কৰে। ফ্ৰান্সৰ মন্ত্ৰীগৰাকীয়ে ভাৰতক বিশ্ব পৰ্যায়ৰ অন্বেষণ উৰ্জাৰ আকৰ বুলি অভিহিত কৰি ভিভাটেক ২০২৬ৰ কৃত্ৰিম বুদ্ধিমত্তা খণ্ডৰ অংশীদাৰ ৰাষ্ট্ৰৰূপে ভাৰতৰ ভূমিকাৰ ভূয়সী প্ৰশংসা কৰে। ফ্ৰাংকো-ভাৰতীয় উদ্ভাৱনৰ বৰ্ষৰ ওপৰত আলোকপাত কৰি তেওঁ লগতে কয়, যে ষ্টাৰ্টআপ, বিশ্ববিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠানসমূহৰ মাজত সহযোগিতা স্থাপন আৰু তথ্যৰ আদান প্ৰদানে নতুন সুযোগ সুবিধাৰ সৃষ্টি কৰিছে। দুয়োখন ৰাষ্ট্ৰই নিৰ্ভৰযোগ্য কৃত্ৰিম বুদ্ধিমত্তা, ডিজিটেল স্থিতিস্থাপকতা আৰু বহনক্ষম প্ৰযুক্তিগত বিকাশৰ উদ্দেশ্যেৰে পাৰস্পৰিক সহযোগিতাৰে কাম কৰি যাব বুলিও তেওঁ লগতে উল্লেখ কৰে। উল্লেখযোগ্য যে ভিভাটেক ২০২৬ ত ভাৰত মণ্ডপ সবাতোকৈ বৃহৎ ৰাষ্ট্ৰীয় মণ্ডপসমূহৰ অন্যতম।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ ৫ দিনীয়া ভ্ৰমণসূচীৰে মধ্য প্ৰদেশলৈ যাব। কাইলৈ তেওঁ ইন্দোৰত উপস্থিত হৈ ব্ৰহ্মকুমাৰীৰ  এটা অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে বেটুললৈ যাব। সন্ধিয়াৰ ভাগলৈ তেওঁ ঔমকাৰেশ্বৰ মন্দিৰত সন্ধিয়াৰ আৰতিত অংশগ্ৰহণ কৰিব। পৰহিলৈ শ্ৰীমতী মুৰ্মু আন্তঃৰাষ্ট্ৰীয় চিকেলচেল ৰক্তাল্পতা

দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকিব। অহা ২১ জুনত ৰাষ্ট্ৰপতিগৰাকীয়ে জবলপুৰত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচীত ভাগ লোৱাৰ লগতে ৰাণী দুৰ্গাৱতী বিশ্ববিদ্যালয়ৰ ৩৬ সংখ্যক সমাৱৰ্তন সমাৰোহত মুখ্য অতিথিৰূপে উপস্থিত থাকিব। ইয়াৰ পাছতে তেওঁ কুনো ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰি অহা ২২ জুনত দিল্লীলৈ উভতি যাব।

ooooo

ভাৰতীয় ৰে'লৱেই পূব ৰে'লৱেৰ সংকেত প্ৰণালীৰ আধুনিকীকৰণৰ বাবে ৪০৫ কোটি টকাৰ প্ৰকল্পত অনুমোদন জনাইছে। এই প্ৰকল্পৰ অধীনত ৩২ টা ষ্টেছনত ৰীলে আধাৰিত ইণ্টাৰলকিং প্ৰণালীৰ ঠাইত বৈদ্যুতিক ইণ্টাৰলকিং প্ৰণালী স্থাপন কৰা হ'ব। ৰে'ল মন্ত্ৰালয়ে এই প্ৰকল্পক সংকেত আন্তঃগাথনি আধুনিকীকৰণ আৰু ৰে'ল সুৰক্ষা সুদৃঢ়কৰণৰ দিশে লোৱা পদক্ষেপ বুলি অভিহিত কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই প্ৰকল্পৰ অধীনত অধিক ভিৰ হোৱা তথা অত্যাধিক ব্যৱহাৰ হোৱা ৰে'লপথৰ ২৫ টা পেনেল ইণ্টাৰলকিং আৰু ৭ টা ইণ্টাৰমিডিয়া ব্লক চিগনেলিং স্থান সামৰি লোৱা হ'ব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় চাইবাৰ অপৰাধ হেল্পলাইন ১৯৩০ ৰ কাম-কাজৰ পৰ্যালোচনা কৰাৰ লগতে সংশ্লিষ্ট বিষয়ববীয়া এই হেল্পলাইনক ন-ৰূপ দিয়াৰ বাবে নিৰ্দেশ দিয়ে। শ্ৰীশ্বাহে লগতে বিষয়ববীয়াসকলক চাইবাৰ অপৰাধৰ ঘটনা জনোৱাৰ প্ৰক্ৰিয়া সৰল কৰি তোলাৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা আৰু বহুভাষিক সহযোগিতা প্ৰয়োগ কৰিবলৈও নিৰ্দেশ দিয়ে।

ooooo

কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কাইলৈ নতুন দিল্লীত খাদ্য সামগ্ৰীৰ স্মাৰ্ট মজুতকৰণ প্ৰণালী মুকলি কৰিব। মজুতকৰণ ব্যৱস্থাপনা পদ্ধতি আৰু খাদ্য সুৰক্ষা মজুতকৰণৰ দক্ষতা বৃদ্ধিৰ উদ্দেশ্যে এই প্ৰযুক্তি আধাৰিত প্ৰণালী প্ৰৱৰ্তন কৰা হ'ব। এই প্ৰণালীৰ অধীনত কৃত্ৰিম বুদ্ধিমত্তা, স্বয়ংক্ৰিয়সহ অত্যাধুনিকপ্ৰযুক্তি ব্যৱহাৰ কৰা হ'ব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ডিজিটেল ইণ্ডিয়া, ভাৰত কৃত্ৰিম বুদ্ধিমত্তা অভিযান, প্ৰধানমন্ত্ৰী গতিশক্তি আৰু আত্মনিৰ্ভৰ ভাৰত অভিযানৰ দৃষ্টিভংগী অনুযায়ী এই উদ্যম গ্ৰহণ কৰা হৈছে।

ooooo

ওমানত থকা ভাৰতীয় দূতাবাসে মাউণ্ট ছেপ্তেবেলোত হোৱা আক্ৰমণত প্ৰাণ হেৰুওৱা দুগৰাকী ভাৰতীয় নাগৰিকৰ মৃতদেহ স্বদেশলৈ প্ৰেৰণৰ কথা নিশ্চিত কৰিছে। দূতাবাসে সামাজিক মাধ্যমযোগে আক্ৰমণত নিহত হোৱা আদিত্য শৰ্মা আৰু শিৱানন্দ চৌৰাচিয়াৰ মৃতদেহ স্বদেশলৈ ঘুৰাই অনা বুলি প্ৰকাশ কৰে আৰু শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

ooooo

মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত গ্ৰুপ-এৰ নিজৰ দ্বিতীয়খন খেলত ভাৰত -নেডাৰলেণ্ডছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। লিডছৰ হেডিংলেত অনুষ্ঠিত খেলখনত টছত জিকি নেডাৰলেণ্ডছে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। উল্লেখযোগ্য যে ভাৰতে গ্ৰুপৰ এৰ নিজৰ প্ৰথমখন খেলত পাকিস্তানক পৰাস্ত কৰি শক্তিশালী আৰম্ভণি কৰিছে।

ইপিনে, ভাৰত আৰু আফগানিস্তান পুৰুষ ক্ৰিকেট দলৰ মাজত চলি থকা তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেল আজি চেন্নাইত অনুষ্ঠিত হৈছে। আফগানিস্তানে টছত জিকি প্ৰথমে বলিঙ কৰাৰ সিদ্ধান্ত লোৱাৰ

পাছত ভাৰতে ৪৯ অভাৰ আৰু ৫ টা বলত  আটাইকেইটা উইকেট হেৰুৱাই ৪০২ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অধিনায়ক শুভমন গীলে ১৫৪ আৰু ইশান কিষাণে ১২৫ ৰান কৰে। প্ৰত্যুত্তৰত আফগানিস্তানে বাতৰি যুগুতোৱাৰ পৰলৈকে ১৫ অভাৰত  ২ টা উইকেট হেৰুৱাই ৯২ ৰান সংগ্ৰহ কৰিছে।

ooooo

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা চাৰে ১০ বজাত পৰ্টুগালে কংগোৰ বিৰুদ্ধে হ'বলগীয়া খেলেৰে অভিযান আৰম্ভ কৰিব। একেদৰে নিশা ডেৰ বজাত ইংলেণ্ড আৰু ক্ৰৱেছিয়াই নিজৰ প্ৰথম খেলত অংশ ল'ব।

ইপিনে, আজি পুৱা চাৰে ৯ বজাত ছান ফ্ৰান্সিস্ক'ত অনুষ্ঠিত এখন খেলত অষ্ট্ৰিয়াই জৰ্ডানক ৩ - ১ গ'লত পৰাস্ত কৰে। বিগত বৰ্ষৰ চেম্পিয়ন আৰ্জেণ্টিনাইও প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে। পুৱা অনুষ্ঠিত গ্ৰুপ-জেৰ এখন খেলত তিনিবাৰৰ বিশ্বকাপ দখল কৰা দলটোৱে অধিনায়ক লিঅ'নেল মেচিৰ হেট্ৰিকেৰে আলজেৰিয়াক ৩-০ গ'লত পৰাস্ত কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ